আজিৰ দিনটোতে—

শ্বহীদ দিৱস।
গ্ৰীচত শিক্ষক দিৱস।
কুষ্ঠ নিবাৰণী দিৱস।
১৯৪১ত স্বনামধন্য গায়িকা দীপালী বৰঠাকুৰৰ জন্ম।
১৯২৪ত ইতিহাসবিদ-সাহিত্যিক অমলেন্দু গুহৰ জন্ম।
১৯৩৩ত জাৰ্মানীৰ চেঞ্চলৰ পদত এডলফ হিটলাৰ।


# নিয়মীয়া বাৰ্তা

মঙলবাৰ □ ১৫ মাঘ ১৯৪৫ শক □ ৩০ জানুৱাৰী ২০২৪ চন □ VOL-13 □ NO-322 □ TUSEDAY 30 JANUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1


Estd-1945

## বিশাল সাংস্কৃতিক শোভাযাত্ৰা ঃ একেদিনাই উন্মোচন হ'ল ১২খন মূল্যৱান গ্ৰন্থ

# অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় অধিৱেশন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৯ জানুৱাৰী ঃ** মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ কালি দ্বিতীয় দিনাৰ কাৰ্যসূচী বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰে শুভাৰম্ভ হয়। অসম কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ কলেজসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা বাৰেহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে শিল্পী, সংগীতৰত্ন বাজেন গোহাঁয়ে। পুৱা ৮ বজাত প্ৰতিনিধিৰ পঞ্জীয়নেৰে আৰম্ভ হোৱা দ্বিতীয় দিনাৰ কাৰ্যসূচীত অসম কলেজ শিক্ষক সংস্থাৰ মূল পতাকা উত্তোলন কৰে অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে। মহাৰজত জয়ন্তী বৰ্ষ গৰকা অসম কলেজ শিক্ষক সংস্থাৰ ৭৫খন পতাকা, ডিব্ৰুগড় মণ্ডলৰ কলেজসমূহৰ ১৪খন পতাকা উত্তোলন কৰা হয়। পুৱা ৯.৩০ বজাত অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই স্মৃতি তৰ্পণ কৰা অনুষ্ঠানটোত পুৱা ১০.৩০ বজাত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী দুৱাৰ মুকলি কৰে বিশিষ্ট শিক্ষাবিদ ড° ভীমকান্ত বৰুৱাই। অসম কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত আৰু ডিব্ৰুগড়



হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ আতিথ্যত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত এই অধিৱেশনৰ দ্বিতীয় দিনা দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত অসম কলেজ শিক্ষক সংস্থাৰ দ্বাৰা প্ৰকাশিত সৰ্বমুঠ ১২খন গ্ৰন্থ, সংস্থাৰ বাৰ্ষিক আলোচনী, ডিব্ৰুগড় মণ্ডলৰ অন্তৰ্গত শিক্ষক গোট, সদস্যসকলৰ গ্ৰন্থ, মণ্ডলৰ অধীনৰ কলেজসমূহৰ ইতিহাস সম্বলিত গ্ৰন্থকে ধৰি অভ্যৰ্থনা সমিতিৰ স্মৃতিগ্ৰন্থ 'সৌমাৰ সৌৰভ' উন্মোচন কৰাৰ লগতে ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক নিউজ বুলেটিন আৰু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ জীৱনপঞ্জী সংকলিত 'জীৱনকুঞ্জ' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থসমূহ উন্মোচন কৰে ক্ৰমে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা, বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰ, অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° জ্যোতিকমল হাজৰিকা; ডি এইচএছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিএইচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অসম মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। দিনৰ ২ বজাৰ পৰা 'নতুন পেন্সন আঁচনি আৰু শিক্ষক-কৰ্মচাৰীৰ ভৱিষ্যৎ' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰে ৰাষ্ট্ৰীয় পুৰণি পেন্সন আঁচনি বাহালকৰণ ঐক্যমঞ্চৰ ৰাষ্ট্ৰীয় সভাপতি বি পি সিং ৰাৱট, ৰাষ্ট্ৰীয় সমিতি, পুৰণি পেন্সন আঁচনি বাহালকৰণ সংগ্ৰাম সমিতিৰ সভাপতি বিজয় কুমাৰ বন্ধু, সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মা, সদৌ অসম পুথিভঁৰালী সন্থাৰ সাধাৰণ সম্পাদক জ্ঞানদ্বীপ শইকীয়াই। সন্ধিয়া প্ৰতিনিধি সভাখন উদ্বোধন কৰে শিক্ষাবিদ ড° ভীমকান্ত বৰুৱাই। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে নাট্য পৰিচালক